৩ পৃষ্ঠাত ৪ পৃষ্ঠাত ১০ পৃষ্ঠাত

RNI REG
ep
Portal
e-mail

# অসম আদিত্য

ফোঁ
গৰম কা
পদ্ধতিৰ
পোৱা যা
ঘাঁ-

আহাৰ, ১৯৪৭ শক ■ সোমবাৰ, ১৬ জুন, ২০২৫ ■ Asom Aditya, Dibrugarh, Monday, June 16, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰ



### সাংস্কৃতিক সহনশীলতা থাকিলেহে বিশ্ববাসী শান্তিত থাকিব পাৰে ঃ ড° সংগীতা গগৈ

## অসম আদিত্যৰ স্তম্ভ লেখক, অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° ভাৰতী দত্তক অশ্বিনী চৰণ চৌধুৰী স্মাৰক বঁটা প্ৰদান

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৫ জুন ঃ** 'সাংস্কৃতিক সহনশীলতা থাকিলে বিশ্ববাসী শান্তিত থাকিব পাৰে।' ঐতিহ্যপূৰ্ণ ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ গৌৰৱোজ্জ্বল ৮০ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা ড° লক্ষ্মী প্ৰসাদ দত্ত স্মাৰক বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকি অসম চৰকাৰৰ ঐতিহাসিক আৰু পুৰাতাত্ত্বিক অধ্যয়ন সঞ্চালকালয়ৰ ভাৰপ্ৰাপ্ত সঞ্চালক ড° সংগীতা গগৈয়ে আজি এইদৰে কয়। 'উত্তৰ-পূব ভাৰত আৰু দক্ষিণ-পূব এছিয়াৰ সৈতে সংযোগৰ মানচিত্ৰকৰণ ঃ মানুহৰ লগত মানুহৰ সংযোগ' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি ড° গগৈয়ে কয়— কেৱল কিতাপ অথবা প্ৰযুক্তিগত মাধ্যমত জ্ঞান আহৰণ সম্পূৰ্ণ নহয়, ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তেহে প্ৰকৃত শুদ্ধ জ্ঞান আহৰণ ৬ পৃষ্ঠাত

